অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ
ASSAM JATIYA BIDYALAY EDUCATION COUNCIL
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati-781020
Ph. : 0361-2654229, 98642 02080, e-mail : ajbecghy@gmail.com, website : www.ajbec.com

প্রসংগ ঃ এজবেক/০০৯/১১/২০২২-২৩ তাৰিখ ঃ ০৩-০১-২০২৩
Ref : Date :

## অসম জাতীয় বিদ্যালয়ত সদৌ অসম 'আন্তঃ জাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতা' প্ৰথম স্থানত পশ্চিম যোৰহাট জাতীয় বিদ্যালয়ৰ অনিন্দিতা বৰা

**নুনমাটি, গুৱাহাটী, ৩ জানুৱাৰী ঃ** অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ উদ্যোগত আজি বিদ্যালয় চৌহদত সদৌ অসম আন্তঃ জাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হয়। সদনৰ মতে, 'সামাজিক উত্তৰণৰ বাবে চ'ছিয়েল মিডিয়া এক অপৰিহাৰ্য্য মাধ্যম' (In the opinion of the house 'Social media is an essential platform for social transformation') বিষয়ত আয়োজন কৰা এই তৰ্ক প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰে পশ্চিম যোৰহাট জাতীয় বিদ্যালয়, দহোটীয়াৰ অনিন্দিতা বৰাই। দ্বিতীয় পুৰস্কাৰ লাভ কৰে মহাত্মা বাল্য ভৱন, গোলাঘাটৰ মেঘৰাগিনী বৰাই। আনহাতে তৃতীয় পুৰস্কাৰ লাভ কৰে গোলাঘাট জাতীয় বিদ্যালয়ৰ কংকনা বৰাই। বিচাৰকৰ বিশেষ বঁটা লাভ কৰে অসম জাতীয় বিদ্যালয়, নুনমাটিৰ আনতাৰা মুবাছছিৰা হক খন্দকাৰ, শ্ৰীমন্ত শংকৰগুৰু জাতীয় বিদ্যালয়, বিশ্বনাথৰ প্ৰিয়ংকা চাহু, পশ্চিম যোৰহাট জাতীয় বিদ্যালয়, দহোটীয়াৰ প্লাবিতা শইকীয়া আৰু হাৰমতী জাতীয় বিদ্যালয়, লখিমপুৰৰ মণিষা শইকীয়াই। প্ৰথম পুৰস্কাৰ প্ৰাপ্ত প্ৰতিযোগীগৰাকীলৈ ট্ৰফী, মান-পত্ৰ আৰু নগদ ৫০০০.০০টকা আগবঢ়োৱা হয়। আনহাতে দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ প্ৰাপ্ত প্ৰতিযোগীলৈ ট্ৰফী, মান-পত্ৰ আৰু ক্ৰমে নগদ ৪০০০.০০ আৰু ৩০০০.০০ টকা আগবঢ়োৱা হয়। বিচাৰকৰ বিশেষ পুৰস্কাৰ লাভ কৰা প্ৰতিযোগীসকললৈ কিতাপৰ টোপোলা আগবঢ়োৱা হয়। উল্লেখযোগ্য যে এই প্ৰতিযোগিতাখনত ৰাজ্যখনৰ ১৭ খন জিলাৰ মুঠ ৩৬ গৰাকী শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। এই প্ৰতিযোগিতাখনত অধ্যক্ষ হিচাপে উপস্থিত থাকে তাৰিণী চৌধুৰী চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বালিকা বিদ্যালয়ৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষা ড° চয়নিকা শৰ্মা। প্ৰতিযোগিতাখনত বিচাৰকৰ দায়িত্বত আছিল গুৱাহাটী বিশ্ববিদ্যালয় আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ লীলাধৰ হাজৰিকা, ৰঙিয়াস্থিত খণ্ড শিক্ষক শিক্ষা প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ অধ্যক্ষা মঞ্জু চেতিয়া তথা আমাৰ অসম কাকতৰ ডেপুটি এডিটৰ গৌতম শৰ্মা। অনুষ্ঠানৰ আৰম্ভণিতে সকলোৰে উদ্দেশ্যি আদৰণী ভাষণ দিয়ে বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে। অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ সচিব ডা° নাৰায়ণ শৰ্মাই নিজৰ ভাষণত সমগ্ৰ ৰাজ্যখনৰ বিভিন্ন জাতীয় বিদ্যালয়ত অধ্যয়নৰত প্ৰায় ৬ লাখ শিক্ষাৰ্থীক ভৱিষ্যতৰ সম্পদ হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে এনেধৰণৰ কাৰ্য্যসূচী গ্ৰহণ কৰা হৈছে বুলি মন্তব্য কৰে। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় বিদ্যালয়ৰ বিজ্ঞান বিভাগৰ শিক্ষয়িত্ৰী অংগনা বৰাই। অনুষ্ঠানটোৰ আঁত ধৰে বিদ্যালয়ৰ সমাজ বিজ্ঞান বিভাগৰ শিক্ষয়িত্ৰী দৰ্শনা বৰাই। আন্তঃ জাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতাৰ আহ্বায়কৰ সামগ্ৰিক দায়িত্বত আছিল সমাজ বিজ্ঞান বিভাগৰ শিক্ষয়িত্ৰী প্ৰণীতা দেৱী।

ঘনশ্যাম মেধি

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়